কৈছিল—“সেইবাবেই কৈছোঁ বোপা তই পঢ়াত মন দিবি।” আইতাকৰ কথাই তাৰ কুমলীয়া মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। অলপ ডাঙৰ হোৱাৰ লগে লগে, গধূলি বা বিয়লি দিনটো ক'ৰবাত কাম কৰি, ছাইকেলত ঘৰৰ লাগতিয়াল বস্তুৰ মোনাটো ওলমাই, ভাগৰি-জুগৰি ঘৰ সোমোৱা দেউতাকক দেখিলে তাৰ মনটো বেয়া লাগি যায়, কেতিয়াবা ছাইকেলখনেও আমনি কৰে বাবে দেউতাকে ছাইকেলখন ঠেলি ঠেলি ঘৰ সোমায়হি। চাকৰি পোৱাৰ পাছত প্ৰথমতে তাৰ দদায়েক, তাৰ পাছত বৰদেউতাকৰো চাকৰিৰ স্থান অইন ঠাইত হোৱাত তেওঁলোক নিজৰ ঘৰ এৰি আঁতৰি যাব লগীয়া হৈছিল। আইতাক বা মাক-দেউতাকৰ লগত সিও প্ৰায়ে বৰদেউতাক আৰু দদায়েকৰ ঘৰলৈ গৈছিল। দুয়োখন ঘৰতে পাবলগীয়া মৰম-আদৰো পাইছিল। দুয়োখন ঘৰতে খোৱা-বোৱাৰপৰা আৰম্ভ কৰি জীৱন-ধাৰণৰ গতি তাহাঁতৰ ঘৰখনতকৈ যেন বহুত বেলেগ, উচ্চমানৰ যেন তাৰ ভাব হৈছিল। দিনটো টাকুৰি ঘূৰাদি ঘূৰি ঘৰখনৰ কামকে কৰি থকা মাকৰ মুখৰ জেউতি যেন অকালতে হেৰাই গৈছিল।

সৰু কালৰেপৰা মধুৰ পঢ়াশুনাত মেধাৱী আৰু মনোযোগী আছিল। তদুপৰি মৰমিয়াল আইতাকগৰাকীৰ বাক্যষাৰে তাৰ কোমল মনত সাঁচ বহুৱাইছিল। তাৰ মনত এটা সপোনে বাহ বান্ধিছিল। সি ভালকৈ পঢ়াশুনা কৰিব, যাতে ভৱিষ্যতে সি সকলো পৰীক্ষাৰ সুন্দৰভাৱে সফলতা লাভ কৰি জীৱিকাৰ এটা উত্তম পথত খোজ দিবলৈ সমৰ্থ হয়। অৱশ্যে তাৰ কল্পনাৰ পৰিধিয়ে ঢুকি পোৱা নাছিল তাৰ সেই কুমলীয়া বয়সত—কি পঢ়ি বা কি হ'ব পাৰিলে সি পৰ্যাপ্ত টকা-পইচাৰ গৰাকী হ'ব পাৰিব। তথাপি তাৰ মনত এটা ধাৰণাৰ সৃষ্টি হৈছিল যে সি খুব ভালকৈ পঢ়িব লাগিব। পৰীক্ষাৰ ফলাফল ভাল নহ'লে সি জীৱনত একোৱেই কৰিব নোৱাৰিব।

প্ৰাইমেৰি স্কুলৰপৰা ওলোৱাৰ পাছত সি চহৰখনত এখন উচ্চখাপৰ নামজ্বলা স্কুলত ভৰ্তি হৈছিল। তাৰ পাছত প্ৰতিটো বছৰেকীয়া পৰীক্ষাত সি শ্ৰেণীৰ ভিতৰৰ আটাইতকৈ মেধাৱী ছাত্ৰ পাঁচটাৰ ভিতৰত স্থান পাইছিল। এইবাৰ নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ সি শ্ৰেণীৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হৈছে। আগতে সি পঢ়া স্কুলৰপৰা মেট্ৰিক পাছ কৰি ওলাই যোৱা ল'ৰাৰ পৰা সি দশম শ্ৰেণীৰ কিতাপ কেইখনমান খুজি আনিছে যদিও সকলো পাঠ্যপুথি সি গোটাব পৰা নাই।

কিন্তু দশম শ্ৰেণীলৈ উঠাৰ পাছত সি দুদিনমানহে স্কুললৈ যাবলৈ পালে। আগতে কেতিয়াও নামকে নুশুনা এবিধ মাৰাত্মক সংক্ৰামক ব্যাধিয়ে ইউৰোপ, আমেৰিকা আদি বহুতো উন্নত ধনী দেশৰ বহুতো মানুহৰ প্ৰাণ লোৱাৰ পাছত ভাৰতৰ কেইবাখনো ৰাজ্যত বিয়পি পৰিছিল। অৱশেষত অসমতো কৰ'না ভাইৰাছৰ সংক্ৰমণে কোনো কোনো ঠাইত আতংকৰ সৃষ্টি কৰাত স্কুল-কলেজ আদি বন্ধ হৈ গৈছে। ঘৰখনৰ এজন লোকৰ এনে বেমাৰ হ'লে ঘৰখনৰ বাকীখিনি লোক এই ৰোগৰপৰা সাৰি যাব নোৱাৰে। বিশেষ প্ৰয়োজন নহ'লে ঘৰৰপৰা কোনোৱেই ওলাই নাযায়। ঘৰৰ গে'টবিলাকত একোটা মস্ত তলা ওলমি থাকে।

এনে পৰিস্থিতিত ঘৰে ঘৰে কাম বিচাৰি ঘূৰি ফুৰা বা আনৰ ঘৰত দিন হাজিৰা কৰি ভোকৰ ভাতমুঠি খাই থকা দৰিদ্ৰ-নিছলাখিনি আগতে কাম কৰা ঘৰবোৰলৈ আহিলেও দিন দুপৰতে গে'টত তলা ওলমা দেখি নিৰাশ হৈ গুচি আহে। মানুহবিলাকে বাহিৰা মানুহক ঘৰৰ ভিতৰত সোমাবলৈ দিবলৈ ভয়-সংকোচ কৰা হ'ল। কাৰ গাত বা কি বেমাৰৰ বীজাণু লাগি আছে! ইহঁতেতো য'তে-ত'তে ঘূৰি ফুৰে। এনে পৰ্যায়ৰ মানুহ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতিও সচেতন নহয়। এনে ভাব পোষণ কৰে।

মধুৰহঁতৰ ঘৰখন ককাকৰ দিনৰে। চাৰিটা কোঠাৰ টিনৰ চালিৰ পকী ঘৰ। বহুত দিন ধৰি চুণ-তেলৰ অভাৱত ঘৰটোৱে বিবৰ্ণ ৰূপ ল'লেও এসময়ত ঘৰটো যে চকুত লগাই আছিল এই কথা এতিয়াও অনুমান কৰিব পৰা যায়। মধুৱে সৰুৰেপৰা দেখি আহিছে দেউতাকে কামলৈ যাওঁতে পৰিষ্কাৰ ছাৰ্ট-পেণ্ট এযোৰ পিন্ধি যায়। হাতত লোৱা মোনাটোত কাম কৰোঁতে পিন্ধিবলৈ বেলেগ এসাজ দাগ লগা কাপোৰ লৈ যায়। নিৰ্দিষ্ট ঘৰত কাম হ'ব বুলি ঠিক হৈ নাথাকিলে দেউতাকে মোনাটোত দাৰ নিচিনা ডাঙৰ কটাৰী এখনো ভৰাই লৈ মাকে আগবঢ়াই দিয়া ৰুটী-চাহ বা আগদিনাৰ ভাতকেইটা খাই ওলাই যায় আৰু তিনিআলিটোৰ এখন নিৰ্দিষ্ট দোকানৰ মুখত থিয় হয়। এনেকৈ দিনটোৰ বাবে কাম কৰিবলৈ যোৱা অন্য মানুহো সেই ঠাইত গোট খায়হি। দিনটোৰ বাবে কাম কৰা মানুহ বিচাৰি চহৰখনৰ কিছুমান লোক পুৱাৰ ভাগতে সেই ঠাইলৈ আহে। জেওৰা-জপনা দিয়া বাঁহ-বেতৰ কাম, ঘৰত চুণ-তেল বা ৰং দিয়া বা বাৰীত কোৰ মৰা আদিলৈকে সকলো কামতে পাকৈত মুহীকান্ত কোনোদিনেই কাম নোপোৱা বাবে ঘৰলৈ খালী হাতেৰে ঘূৰি আহিব লগীয়া নহয়।

কেতিয়াবা কামৰপৰা আহোঁতে আলিৰ দাঁতিত বহি জীয়া মাছ বিক্ৰী কৰি থকা মাছ বেপাৰীৰপৰা পুঠি, মোৱা, কাৱৈ, খলিহনা এভাগ-দুভাগ লৈ আনে। ঘৈণীয়েক নিৰুৱে মাছকেইটা ভালকৈ বাছি ধুই গৰম তেলত ইলুটি-সিলুটি কৰি মৰমৰীয়া কৰি ভাজি দিয়ে আৰু অলপ ডাঙৰকেইটাৰে বাৰীৰপৰা তুলি অনা খুতৰা শাক আৰু গহৰা গজা কণবিলাহীৰ লগত এখন আঞ্জা ৰান্ধি দিয়ে। ল'ৰা-ছোৱালী তিনিটাৰে সৈতে বহি মুহীকান্তই তৃপ্তিৰে ভাত খাই থকা দেখিলে নিৰুৰ মনটোৱে হাঁহি উঠে।

এনেকৈয়ে দুখ আৰু অভাৱৰ মাজতো এচেৰেঙা তৃপ্তি বা আনন্দৰ জিলিকনিয়ে চুই যোৱা জীৱনটোক লৈয়েই নিৰু সুখীয়েই আছিল। বিশেষকৈ ডাঙৰটো ল'ৰা মধুৰক কেন্দ্ৰ কৰি দেউতাক-মাকৰ মনত কিছুমান আশা আৰু সপোনে অংকুৰ মেলিছিল। সি সৰুৰেপৰা মেধাৱী আৰু পঢ়াশুনাত মনোযোগী আছিল। স্কুলৰ শিক্ষকসকলেও তাক শলাগে। মধুৰৰ মনলৈও কিছুমান সপোন আহে। সি ভাবে, আশা কৰে—ভালকৈ পঢ়াশুনা কৰি সি যদি পৰীক্ষাত সুফল লাভ কৰিব পাৰে তেতিয়া সি এটা ভাল চাকৰি পাব। তাৰ হাতলৈ অহা ধনেৰে ঘৰখনৰ অভাৱ-অভিযোগবোৰ সি অন্ত পেলাব। পুৱাৰপৰা নিশালৈকে টাকুৰি ঘূৰাদি ঘূৰি ঘৰৰ কামকে কৰি থকা মাকৰ শুকান মুখত হাঁহি বিৰিঙাব।

দশম শ্ৰেণীলৈ প্ৰথম হৈ উত্তীৰ্ণ হোৱাৰ পাছত সি উৎসাহী হৈ পৰিছিল আৰু ভাবিছিল সি ভালকৈ পঢ়াশুনা কৰিব যাতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সি ভালদৰে কৃতকাৰ্যতা লাভ কৰিব পাৰে। কিন্তু দশম শ্ৰেণীলৈ উঠাৰ পাছত সি মাত্ৰ দুদিন স্কুলৰ শ্ৰেণী কোঠাত বহিবলৈ পালে। ক'ভিড-১৯ নামৰ এবিধ মাৰাত্মক সংক্ৰামক ব্যাধিয়ে ইউৰোপ, আমেৰিকা আদি বহুতো ঠাইত বিয়পি পৰি বহুতো লোকৰ প্ৰাণ হানি কৰাৰ পাছত দিল্লীৰপৰা আৰম্ভ কৰি ভাৰতৰ কেইবাখনো প্ৰদেশৰ অনেক লোকৰ প্ৰাণ লৈছিল। তাৰ পাছত অসমলৈও বিয়পিছিল এই মাৰাত্মক ব্যাধি। সকলো ধৰণৰ সংবাদ মাধ্যম, বিভিন্ন বাতৰিকাকত, ৰেডিঅ', টেলিভিছন আদিৰ যোগেদি ক'ভিড-১৯ৰ প্ৰচাৰে সকলো শ্ৰেণীৰ লোকক আতংকিত কৰি তুলিছিল। সকলো ধৰণৰ বিদ্যালয়, স্কুল-কলেজ আদি অনিৰ্দিষ্ট কালৰ বাবে বন্ধ হৈ গৈছিল।

স্কুলবিলাক বন্ধ হৈ যোৱাত মধুৰৰ মনটো কিছু হতাশ হৈ পৰিছিল। দেউতাকেও আজিকালি মাজে মাজেহে কাম পায়। ঘৰৰ দুবেলা দুসাঁজ আৰু অন্য খৰচ যেনে-তেনে চলি যায়। কিন্তু দশম শ্ৰেণীৰ বাবে সি যে কেইবাখনো নতুন কিতাপ কিনিব লাগিব এই কথা সি মাক বা দেউতাকক ক'বলৈকো সংকোচ হয়। দশম শ্ৰেণীৰ কিতাপ দুখনমান চুবুৰিৰ তাতকৈ দুবছৰৰ ওপৰৰ ল'ৰা এটাই উপযাচিয়েই তাক আনি দিছিল। তাৰ অৱস্থাটো বুজি অন্য এটা ল'ৰায়ো তাক